No. of Printed Pages—7

858 (ECM5A/ECP5A)

[20-HRGPNW–D5S(N)21A]

BA 5th Semester (New) Exam., 2020 (W)

ECONOMICS

[GEC S5–01 (M/P)]

(Public Finance)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* Answer the following questions : 1×8=8

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক :

(i) Define tax revenue.
কৰ ৰাজহৰ সংজ্ঞা আগবঢ়াওক।

(ii) What is meant by proportional taxation?
সমানুপাতিক কৰ বুলিলে কি বুজা যায়?

(iii) Who put forward the theory of maximum social advantage?
সর্বাধিক সামাজিক তত্ত্বটি কোনে আগবঢ়াইছিল?

(iv) What is meant by public expenditure?
চৰকাৰী ব্যয় বুলিলে কি বুজা যায়?

(v) What is meant by fiscal policy?
ৰাজকোষীয় নীতি বুলিলে কি বুজা যায় ?

(vi) Define public utilities.
ৰাজহুৱা উপযোগিতাৰ সংজ্ঞা লিখক ।

(vii) Who can create statutory corporation?
বিধিগতভাৱে প্ৰতিষ্ঠিত নিগমবোৰ কোনে স্থাপন কৰিব পাৰে ?

(viii) When was the Fifteenth Finance Commission of India established?
ভাৰতবৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগটি কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল ?

(b) Choose the correct answer from the options given below : 1×4=4
তলৰ বিকল্পসমূহৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিয়াওক :

(i) Which of the following is not included in the scope of public finance?
তলৰ কোনটো ৰাজস্ব অৰ্থবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত নহয় ?

(1) Public revenue
চৰকাৰী ৰাজহ

(2) Monetary policy
মৌদ্ৰিক নীতি

(3) Public expenditure
চৰকাৰী ব্যয়

(4) Federal finance
যুক্তৰাষ্ট্ৰীয় বিত্ত

(ii) Which of the following is not a canon of taxation put forward by Adam Smith?

তলৰ কোনটো আদাম স্মিথে আগবঢ়োৱা কৰৰ নীতিসমূহৰ অন্তর্ভুক্ত নহয় ?

(1) Canon of elasticity
স্থিতিস্থাপকতাৰ নীতি

(2) Canon of equity
সমতাৰ নীতি

(3) Canon of certainty
নিশ্চয়তাৰ নীতি

(4) Canon of economy
মিতব্যয়িতাৰ নীতি

(iii) Which of the following is not an affect of public expenditure on distribution?

তলৰ কোনটো বিতৰণৰ ক্ষেত্রত চৰকাৰী ব্যয়ৰ এটা প্রভাৱ নহয় ?

(1) Benefit to the weaker section
দুর্বল শ্রেণীলৈ সুবিধা প্রদান

(2) Curbing inflation
মুদ্রাস্ফীতি প্রতিৰোধ

(3) Development of backward regions
পিছপৰা অঞ্চলসমূহৰ উন্নয়ন

(4) Wage structure and larger real incomes
দৰমহা বা মজুৰিৰ গাঁথনি আৰু উচ্চহাৰৰ প্রকৃত আয়

(iv) Which of the following is not a merit of direct taxes?

তলৰ কোনটো প্ৰত্যক্ষ কৰৰ এটা সুবিধা নহয় ?

(1) Tax evasion

কৰ ফাঁকি

(2) Equitable

সমতাপূৰ্ণ

(3) Distributive justice

বিতৰণমূলক ন্যায়

(4) Certainty

নিশ্চয়তা

(c) Fill in the blanks : 1×4=4

খালী ঠাইবোৰ পূৰ কৰক :

(i) A _____ tax is a tax applied to an individual giving anything of value to another person.

এজন মানুহে আন এজন মানুহক দিয়া যি কোনো মূল্যবান বস্তুৰ বাবে দাতাজনৰ ওপৰত _____ কৰ আৰোপ কৰা হয়।

(ii) _____ refers to the maximum amount of taxation that an individual or an economy can withstand, without production effort and economic efficiency being adversely affected.

_____ বুলিলে উৎপাদন আৰু অৰ্থনৈতিক কাৰ্যকাৰিতাত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এজন ব্যক্তি বা এক অৰ্থনীতিয়ে বহন কৰিব পৰা সৰ্বাধিক কৰৰ পৰিমাণ বুজোৱা হয়।

(iii) _____ may be resorted to from foreign individuals, international financial institutions and foreign governments.

_____ কোনো বৈদেশিক ব্যক্তিবিশেষ, আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠান আৰু বৈদেশিক চৰকাৰৰ পৰা লোৱা হ'ব পাৰে।

(iv) Revenue deficit = Total revenue expenditure (–) _____.

ৰাজকোষীয় ঘাটি = মুঠ ব্যয়ৰ পৰিমাণ (–) _____ ।

2. Answer any *five* from the following questions (each in around *50* words) : 2×5=10

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০* শব্দৰ ভিতৰত) :

(a) Mention any two major recommendations of the Fourteenth Finance Commission.

চতুৰ্দশ বিত্ত আয়োগৰ যি কোনো দুটা প্ৰধান পৰামৰ্শৰলী উল্লেখ কৰক।

(b) State any two advantages of peak load pricing.

ভিৰ বা অত্যধিক চাহিদাৰ সময়ৰ দৰকৌশলৰ যি কোনো দুটা সুবিধা উল্লেখ কৰক।

(c) How does public expenditure help in fighting deflation?

মুদ্ৰা অৱস্ফীতি দূৰ কৰাত ৰাজহুৱা ব্যয়ে কেনেদৰে সহায় কৰে?

(d) Mention any two important similarities between public finance and private finance.

চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্তৰ মাজৰ যি কোনো দুটা গুৰুত্বপূৰ্ণ সাদৃশ্য উল্লেখ কৰক।

(e) Mention the different sources of administrative revenue.

প্ৰশাসনিক আয়ৰ বিভিন্ন উৎসবোৰ উল্লেখ কৰক।

(f) Mention any two important distinctions between revenue and non-revenue receipts.

ৰাজহ আৰু অনা-ৰাজহ আয়ৰ মাজৰ যি কোনো দুটা গুৰুত্বপূৰ্ণ পাৰ্থক্য উল্লেখ কৰক।

3. Answer any *six* from the following questions (each in around *120* words) : 4×6=24

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো **ছয়টাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) :

(a) "Inter-governmental resource transfer is an effective tool adopted to correct both horizontal and vertical imbalances in a federation." Discuss the statement.

''যুক্তৰাষ্ট্ৰ এখনত আনুভূমিক আৰু অভিলম্বীয় অসমতা শুধৰোৱাৰ বাবে লোৱা এক কাৰ্যকৰী আহিলা হ'ল আন্তঃচৰকাৰী সম্পদ হস্তান্তৰ।'' বাক্যশাৰী আলোচনা কৰক।

(b) Briefly discuss the role of public sector utilities in a developing country.

উন্নয়নশীল দেশত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভূমিকা চমুকৈ আলোচনা কৰক।

(c) Discuss the merits and demerits of indirect taxation.

পৰোক্ষ কৰৰ সুবিধা আৰু অসুবিধাসমূহ আলোচনা কৰক।

(d) What is meant by absolute taxable capacity? Discuss the factors that affect the taxable capacity in an economy.

পৰম কৰ সামৰ্থ বুলিলে কি বুজে? অৰ্থনীতি এটাৰ কৰ সামৰ্থ প্ৰভাৱিত কৰা কাৰকবোৰ আলোচনা কৰক।

(e) Discuss the benefit principle of taxation.

কৰৰ সুবিধা তত্ত্বটি আলোচনা কৰক।

(f) Discuss the different methods of public debt redemption.

চৰকাৰী ঋণ পৰিশোধৰ বিভিন্ন উপায়সমূহ আলোচনা কৰক।

(g) Discuss the different types of budgets.

বাজেটৰ বিভিন্ন প্ৰকাৰবোৰ আলোচনা কৰক।

4. Answer any *five* from the following questions (each in around *200* words) : 6×5=30

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) :

(a) Discuss the role of fiscal policy in a developing economy.

এক উন্নয়নশীল অৰ্থনীতিত ৰাজকোষীয় নীতিৰ ভূমিকা আলোচনা কৰক।

(b) Discuss the problems of free riders, market failure and the tragedy of commons relating to the provision of public goods.

মুক্ত ভোক্তা, বজাৰ ব্যৰ্থতা আৰু ট্ৰেজেদি অৱ কমনছ সমস্যাকেইটা চৰকাৰী দ্ৰব্যৰ পৰিপ্ৰেক্ষিতত আলোচনা কৰক।

(c) Briefly discuss the concepts of value added tax and goods and services tax with special reference to India.

ভাৰতবৰ্ষৰ পৰিপ্ৰেক্ষিতত মূল্য সংযোগ কৰ আৰু সামগ্ৰী আৰু সেৱা কৰৰ ধাৰণাটো চমুকৈ আলোচনা কৰক।

(d) Discuss the different canons of public expenditure.

চৰকাৰী ব্যয়ৰ বিভিন্ন নীতিসমূহ আলোচনা কৰক।

(e) Discuss the characteristics of public utilities.

ৰাজহুৱা উপযোগিতাসমূহৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(f) Discuss the terms of reference of the Fifteenth Finance Commission of India.

ভাৰতৰ পঞ্চদশ বিত্ত আয়োগৰ বিবেচনাধীন বিভিন্ন বিষয়বোৰ আলোচনা কৰক।

★ ★ ★